No. of Printed Pages—2

1190A (PAEPA)

[24-HKPD1SN-24J (M2)]

MA 1st Semester (NEP) Exam. 2024 (S2)

ASSAMESE (AEC)

(*Prayogik Asomiya*)

[PG S1-01]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(ক) ধ্বনি কাক বোলে ? ধ্বনিৰ সৈতে বৰ্ণ বা আখৰৰ সম্পৰ্ক কি ? অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ বিষয়ে বহলাই আলোচনা কৰক ।

(খ) বচন কাক বোলে ? অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় হয়নে ? অসমীয়া ভাষাত একবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায়বোৰ উদাহৰণসহ বৰ্ণনা কৰক ।

(গ) 'ৰচনা' মানে কি ? ৰচনা লিখোঁতে কি কি দিশৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিব লাগে পুংখানুপুংখভাৱে আলোচনা কৰক ।

(ঘ) বাক্যাংশ কাক বোলে ? ই কেই প্ৰকাৰৰ আৰু কি কি ? অসমীয়া ভাষাৰ উদ্ধৃতিসহ প্ৰতি প্ৰকাৰৰে বৰ্ণনা আগবঢ়াওক ।

(ঙ) সমাস কাক বোলে ? অসমীয়া ভাষাত সমাস কেই প্ৰকাৰৰ আৰু কি কি ? তৎপুৰুষ সমাসৰ বিষয়ে বহলাই আলোচনা কৰক ।

(চ) বিজ্ঞাপন কাক বোলে ? বিজ্ঞাপনৰ প্ৰধান ধাৰণাসমূহ বহলাই আলোচনা কৰক ।

(ছ) ক্ৰিয়া বিভক্তি কাক বোলে ? কাল আৰু পুৰুষ অনুযায়ী অসমীয়া ক্ৰিয়া বিভক্তিবোৰ তালিকাভুক্ত কৰক ।

(জ) নিম্নোক্ত বিষয়ৰ পৰা যিকোনো এটা বিষয় বাছি লৈ এটি প্ৰৱন্ধ নিৰ্মাণ কৰক ঃ

(*i*) নাৰী আৰু সমাজ

(*ii*) অসমীয়া ভাষা

(*iii*) ধৰ্ম আৰু বিজ্ঞান

২। তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(ক) 'উৎস হৈছে সাংবাদিকৰ বাইবেল স্বৰূপ'– উক্তিটোৰ আধাৰত বাতৰি আৰু উৎসৰ সম্পৰ্ক নিৰ্ণয় কৰক ।

(খ) বিশেষ প্ৰৱন্ধ মানে কি ? বাতৰিৰ পৰা বিশেষ প্ৰৱন্ধ কিদৰে পৃথক আলোচনা কৰক ।

(গ) জতুৱা ঠাঁচ কাক বোলে ? অসমীয়া ভাষাত কিদৰে জতুৱা ঠাঁচ গঠন হয় উল্লেখ কৰি ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰক ।

(ঘ) বৃত্তান্তমূলক প্ৰৱন্ধৰ মৌলিক বৈশিষ্ট্যসমূহ উল্লেখ কৰি বৃত্তান্তমূলক প্ৰৱন্ধ কিদৰে লিখিব লাগে আলোচনা কৰক ।

(ঙ) এগৰাকী চলচ্চিত্ৰ সমীক্ষকে চলচ্চিত্ৰ সমীক্ষা কৰোঁতে কি কি দিশ পৰ্যবেক্ষণ কৰে আলোচনা কৰক ।

(চ) ভাষাৰ ভুল প্ৰয়োগ কি ? অসমীয়া ভাষাত প্ৰত্যক্ষ কৰা ভুল প্ৰয়োগ কেইটামানৰ কথা উল্লেখ কৰক ।